# অসম বিধান সভা

# তৰাবিহীন প্ৰশ্ন নং-২০৯

# উত্তৰ দিয়াৰ তাৰিখ-১০/০৭/২৬

*বিষয়* : গৰাখহনীয়া সন্দৰ্ভত। বিধায়ক: শ্ৰী আব্দুৰ ৰহিম আহমেদ

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কিমান হেক্টৰ/বিঘা ভূমি গৰাখহনীয়াৰ ফলত নদীৰ বুকুত জাহ গৈছে?

(খ) এই গৰাখহনীয়াৰ ফলত কিমান সংখ্যক গাঁও সম্পূৰ্ণৰূপে আৰু আংশিকভাৱে নদীত জাহ গৈছে আৰু কিমান সংখ্যক লোক স্থানান্তৰিত হৈছে?

(গ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কিমান হেক্টৰ/বিঘা কৃষি ভূমি আৰু কিমান হেক্টৰ/বিঘা ভূমি ঘৰ-বাৰী সম্পূৰ্ণ নদীৰ বুকুত জাহ গৈছে? ইয়াৰ ফলত কিমান সংখ্যক পৰিয়াল সম্পূৰ্ণৰূপে আৰু কিমান সংখ্যক পৰিয়াল আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে?

(ঘ) এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ কিমান সংখ্যক পৰিয়ালে পুনৰ সংস্থাপনৰ বাবে আৰ্থিক অনুদান লাভ কৰিছে আৰু কিমান সংখ্যক পৰিয়ালে আৰ্থিক অনুদান লাভ কৰা নাই তাৰ বিতং তথ্য জিলাভিত্তিত তালিকাসহ সদনত দাখিল কৰিব।

(ঙ) এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক স্থানান্তৰিত হোৱাৰ প্ৰমাণ পত্ৰ বিভাগে জাৰি কৰিছেনে? যদি কৰা নাই, তেন্তে কেতিয়া কৰিব?

উত্তৰঃ

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিবঃ

(ক) জিলা আয়ুক্তসকলৰ কাৰ্যালয়ৰ পৰা প্ৰাপ্ত প্ৰতিবেদন অনুসৰি ২০১৬ চনৰ পৰা এতিয়ালৈকে খহনীয়াত জাহ যোৱা মাটিৰ পৰিমাণ হ'ল প্ৰায় ২৩১১০০ বিঘা ।

(খ) ) জিলা আয়ুক্তসকলৰ কাৰ্যালয়ৰ পৰা প্ৰাপ্ত প্ৰতিবেদন অনুসৰি এই গৰাখহনীয়াত প্ৰায় ১০০ খন গাঁও সম্পূৰ্ণৰূপে আৰু ২৩০ খন আংশিকভাবে নদীত জাহ গৈছে আৰু প্ৰায় ৩৯,০০০ সংখ্যক লোক স্থানান্তৰিত হৈছে ।

(গ) ) জিলা আয়ুক্তসকলৰ কাৰ্যালয়ৰ পৰা প্ৰাপ্ত প্ৰতিবেদন অনুসৰি ২০১৬ চনৰ পৰা বৰ্তমানলৈকে বানপানীৰ ফলত প্ৰায় ৫৭,৫৬,৭০০ বিঘা কৃষি ভূমি নষ্ট হোৱাৰ লগতে প্ৰায় ১০০০০ বিঘা ঘৰবাৰী/বসতি ভূমি সম্পূৰ্ণ নদীৰ বুকুত জাহ গৈছে। ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ সৰ্বমুঠ সংখ্যা প্ৰায় ২৩৩৬০ আৰু সম্পূৰ্ণ ভাবে ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা প্ৰায় ১৭৭৩০ ।

(ঘ) ) জিলা আয়ুক্তসকলৰ কাৰ্যালয়ৰ পৰা প্ৰাপ্ত প্ৰতিবেদন অনুসৰি প্ৰায় ১২১৪টা পৰিয়ালে পুনৰ সংস্থাপনৰ বাবে আৰ্থিক অনুদান লাভ কৰিছে। সংশ্লিষ্ট জিলা আয়ুক্তসকলৰ পৰা প্ৰস্তাৱ লাভ কৰাৰ পাছত অৱশিষ্ট প্ৰভাৱিত পৰিয়ালসমূহক এছ.ডি.আৰ.এফ. (SDRF)ৰ নিয়ম অনুসৰি আৰ্থিক অনুদান প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

(ঙ) ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক স্থানান্তৰিত হোৱাৰ প্ৰমাণপত্ৰ বিভাগৰ ফালৰ পৰা প্ৰদান কৰা হোৱা নাই ।

* *

বি: দ্ৰ: প্ৰশ্ন উত্তৰৰ প্ৰতিলিপি ৱেবছাইট যোগে প্ৰেৰণ/আপলোড কৰা হৈছে।